

**Hon'ble Principal**

**Dr. Nripen Goswami**



# সম্পাদকীয়

The woods are lovely, dark and deep.
But I have promises to keep,
And miles to go before I sleep,
And miles to go before I sleep,
– Robert Frost

প্ৰতি নিয়ত সময় বাগৰি দিনবোৰ পাৰ হয় বুকুত লৈ কেতিয়াবা শান্তি, কেতিয়াবা বেদনা। সৃষ্টি হয় জীৱনৰ দৈনন্দিন । বছৰৰ পাছত বছৰ বাগৰে। ইতিহাসৰ পৃষ্ঠা বাঢ়ি যায়। এই ইতিহাস কেতিয়াবা দুখৰ, কেতিয়াবা সুখৰ। কেতিয়াবা আশাৰ, কেতিয়াবা হতাশাৰ। এই হিচাপেৰে হিচাপ কৰিলে পাঁও ইং ২০০৮ -০৯ বৰ্ষৰ ছবি আমাৰ ৰাজ্যবাসীৰ বাবে আশাব্যঞ্জক নহয়। বাতৰি কাকতৰ প্ৰতিদিনৰ প্ৰতিটো পৃষ্ঠাই আমাক দিছে নিৰাশা। হত্যা, লুণ্ঠন, ধাৰাবাহিক বোমা বিস্ফোৰণ, জনতাৰ প্ৰতিবাদ, চৰকাৰী পক্ষৰ নিৰ্যাতন, গোষ্ঠী সংঘৰ্ষ, ৰাজনৈতিক হত্যাকাণ্ড, খৰাং পীড়িত আৰু বন্যতাৰ ধাৰাবাহিক কান্দোনৰ ৰোল, চৰকাৰৰ ভুৱা প্ৰতিশ্ৰুতি আদিৰেই ভৰা বৰ্ষটো সৰ্বসাধাৰণৰ বাবে দুখৰ ইতিহাসৰ অধ্যায় হিচাপেহে চিহ্নিত কৰিব পাৰি। আনহাতে ভুৱা সংঘৰ্ষ, অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশ লংঘী মূল্য বৃদ্ধি, বিভিন্ন ধৰণৰ আন্দোলন, ভূমিস্খলন, ভূমিকম্প আদিয়েও কোনো ধৰণৰ আশাৰ ৰেঙণি দাঙি ধৰা নাই। ছাত্ৰ-ছাত্ৰী সকলৰ বাবে অৱশ্যে বছৰটোৱে এক ঐতিহাসিক অধিকাৰৰ বতৰা কঢ়িয়াই আনে। শিক্ষা লাভৰ অধিকাৰ আইন ২০০৯এ শিক্ষাক মৌলিক অধিকাৰ হিচাপে জনসাধাৰণৰ সৰ্বস্তৰলৈকে লৈ যোৱাৰ ব্যৱস্থাই আশাৰ সঞ্চাৰ কৰিছে। এই অধিকাৰ যাতে ফলপ্ৰসু হয় আমি সকলো সজাগ হ'ব লাগিব।

দেশ এখনৰ সৰ্বতোমুখী বিকাশৰ বাবে মানৱ সম্পদৰ পূৰ্ণ বিকাশৰ অতীব প্ৰয়োজন। সেয়ে মহিলা সকলকো শিক্ষাৰ যোগে বিশেষভাৱে আগুৱাই নি পুৰুষ মহিলাৰ সমমৰ্যদা, দক্ষতা বৃদ্ধি আদিৰ বাবে এই বছৰটোতে (২০০৯) প্ৰৱৰ্ত্তন কৰা হৈছে-মহিলা সাক্ষৰতা বৃদ্ধিৰ বাবে বিশেষভাৱে প্ৰস্তুত কৰা "সাক্ষৰ ভাৰত আঁচনি"। এই কথাৰে আঁত ধৰি পোৱা-নোপোৱাৰ দোমোজাত থাকিও আমি আশা কৰো অনাগত দিনবোৰে সকলোৰে বাবে আশাৰ বতৰা কঢ়িয়াই আনিব।

মহাবিদ্যালয় প্ৰসঙ্গ ঃ 'জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো' নামটোতে আছে এক ঐতিহ্য। সময়ৰ সোঁতত আগবাঢ়ি গৈ মহাবিদ্যালয়খন এতিয়া স্বৰ্ণ জয়ন্তী বৰ্ষৰ দুৱাৰদলিত। এই জ্ঞান মন্দিৰৰ সৃষ্টিৰ পথাৰত 'জৱাহৰজ্যোতি' এক অন্যতম আশাৰ থলি, য'ত ছাত্ৰ-ছাত্ৰী শিক্ষক-শিক্ষয়িত্ৰীসকলৰ মনৰ ভাৱ, চেতনাৰ গজালি মেলে। যি গজালিতে হয়তো বৰগছ হোৱাৰ সম্ভাৱনা নিহিত হৈ থাকে।

জৱাহৰজ্যোতিৰ এয়া ৩১তম সংখ্যা। ইয়াতো ছাত্ৰ-শিক্ষক সকলৰ লিখনিৰ সমাহাৰ ঘটিছে, মনৰ ভাৱ প্ৰতিফলিত হৈছে। জৱাহৰজ্যোতিৰ আলোক যাত্ৰা অবিৰত হওক ।

(ধনমণি বড়ো)
সম্পাদক, জৱাহৰজ্যোতি
২০০৮-২০০৯ বৰ্ষ

# সূচীপত্র

## প্ৰবন্ধ প্ৰপঞ্চঃ


গ্ৰন্থ জীৱনৰ বাবে, গ্ৰন্থ পোহৰৰ বাবে ১১
● দীপামণি দৈমাৰী
বিজ্ঞান আৰু শান্তি ১৪
● ৰাহুল দৈমাৰী
অ' মোৰ সুৰীয়া মাত ১৮
● হেলেনা আখ্‌টাৰ
দ্য লিট্‌ল জিনিয়াছ ২০
● কৰুণা কলিতা
বায় ডিজেল হিচাপে ভোট-এৰা ২৩
● চিত্ৰলেখা ডেকা
ৰাষ্ট্ৰমাতা কস্তুৰবা গান্ধী ২৫
● জ্যোতি প্ৰভা অধিকাৰী
ড° কালামে পাহৰিব নোৱাৰা কথাবোৰ ২৮
● ধনমণি বড়ো
মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোট আৰু গুৰগাঁৱত অনুষ্ঠিত ৰাষ্ট্ৰীয় সংহতি শিবিৰ ৩১
● মানস প্ৰতিম শৰ্মা
অনগ্ৰসৰ ছাত্ৰৰ শিক্ষা ৩৫
● দীপাঞ্জলি কলিতা
প্ৰতিবাদৰ অন্য নাম তছলিমা নাছৰিন ৩৭
● ড০ কমলেশ্বৰ ঠাকুৰীয়া
ভাগি গ'ল বীণখনি ছিঙি গ'ল তাঁৰ ........ দিলীপ শৰ্মা ৪২
● ড০ প্ৰাণেশ্বৰ নাথ
১৯৪২ খৃঃ ৰ ভাৰত ত্যাগ আন্দোলন আৰু অসম ৪৪
● লক্ষীকান্ত শৰ্মা
ৰাভালোক সমাজত বাঁহ ৪৭
● গৌতম ৰাভা
কেইজনমান মহান অৰ্থবিজ্ঞানী ৫০
● প্ৰহ্লাদ ভৰালী
স্কাউটিং-গাইডিঙৰ পাঠ্যক্ৰম আৰু জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত ইয়াৰ বেঙণি ৫৩
● বিজয়া ডেকা


## গল্প গুচ্ছ


বিস্ফোৰণ ৫৮
● জয়দেৱ বায়ন
ৰবৰ্ধুণ ৬০
● ড০ ললিত চন্দ্ৰ ৰাভা
দুই দশমিক পাঁচ আৰু ডাইমেনচন ৬২
● পুলক তালুকদাৰ
মোহভংগ ৬৫
● নন্দা দেৱী


## কবিতা কানন


শ্মশান চ'মুখা ৬৭
● বসন্ত কুমাৰ দত্ত
কবিতা ৬৮
● ভাৰত চৌধুৰী
ভয় ৬৮
● হৰিকমল দাস
কিয় ৬৮
● অনিতা ৰাভা
স্বামী বিবেকানন্দ ৬৯
● কৰবী মহন্ত
তুমি অবুজন কিয় ৬৯
● জোনমণি ঠাকুৰীয়া
শোণিতৰ দিনলিপি ৭০
● দীপামণি দৈমাৰী

✍ নিচেই কাষত ৭০
◎ সুৰজপতি ৰাভা
✍ এখন আধালিখা চিঠি ৭১
◎ প্ৰাণকৃষ্ণ ৰয়
✍ দেৱালীৰ বিৰহ (২০০৮) ৭১
◎ অনামিকা ৰাভা
✍ অনামিকা আহিবাচোন এদিন ৭২
◎ ধ্ৰুৱজ্যোতি বড়ো
✍ বৰষুণ ৭২
◎ নমল ডেকা
✍ অলপ শান্তি বিচাৰি ৭৩
◎ জয়দেৱ বায়ন
✍ জীৱন পাখি ৭৩
◎ ধনমণি বড়ো
✍ প্ৰকৃতি ৭৪
◎ সোণমা মেধি
✍ জোনাকী পৰুৱা ৭৪
◎ পল্লৱী দাস
✍ পণ ৭৪
◎ দিপশিখা ৰয়
✍ অনুবাদ কবিতা ৭৫
◎ পুলক তালুকদাৰ
✍ ইতিহাস ৭৬
◎ মহানন্দ দাস
✍ তোমাৰ মোৰ গোপন বন্ধুত্ব ৭৭
◎ দিলীপ দাস
✍ ঈশ্বৰৰ স'তে কথা ৭৭
◎ মানস প্ৰতিম শৰ্মা

## প্ৰাচীৰ পত্ৰিকা

৭৮
◎ বসন্ত কুমাৰ দত্ত
✍ সফল জীৱন গঢ়াৰ উপায় ৮৩
◎ ৰাজেশ মজুমদাৰ
✍ মোৰ আই বুঢ়ী হৈ যাবলৈ ধৰিছে ৮৩
◎ অনুপম কলিতা
✍ চৰাইৰ ভাৱ বিনিময় ৮৪
◎ পবিত্ৰ কৈৱৰ্ত্ত
✍ সামুদ্ৰিক প্ৰাণী অক্ট'পাছ ৮৪
◎ জ্যোতিৰ্ময় পাটগিৰী
✍ আৱিষ্কাৰৰ আঁৰত এণ্টিবায়'টিক ৮৫
◎ মানৱ কলিতা
✍ সৰ্প গন্ধা ৮৫
◎ ডালিমী ৰাণা
✍ Common Herbs and Spices as Medicines ৮৫
◎ Mitali Boro
✍ কৃত্ৰিম বুদ্ধিমত্তা ৮৬
◎ বৰ্ণ বিকাশ কলিতা
✍ বিশ্বৰ তিনিটা শ্ৰেষ্ঠ সন্মানীয় বঁটা ৮৭
◎ ছোনিয়া বেগম
✍ যোগাসনৰ প্ৰয়োজনীয়তা ৮৭
◎ ভবসা পাঠক
✍ ২২ জুলাইৰ সূৰ্য্য গ্ৰহণ ৮৮
◎ চন্দনা কলিতা
✍ প্ৰাথমিক চিকিৎসা ৮৮
◎ নিভামণি দাস

## অন্তৰঙ্গ আলাপ

● সপোন দেখা মানুহজনৰ সতে এখন্তেক ৮৯
● মুকলি চ'ৰা ৯১

● Report, J.N.C, Students' Union ৯৩—১০৩

Bodo Section ১১৫

English Section ১২৭


Jawaharjyoti, Vol.- XXXI/2008-09

# গ্ৰন্থ জীৱনৰ বাবে, গ্ৰন্থ পোহৰৰ বাবে

দীপামণি দৈমাৰী
স্নাতক ১ম বৰ্ষ (কলা)

'মানুহে আজিলৈকে উচ্চাৰণ কৰা মহত্তম শব্দটো হ'ল কিতাপ'- উক্তিষাৰি বাৰ্ণাড লেভিনৰ। সেইদৰে কিতাপ সম্পৰ্কত মিল্টনে কৈছিল, "A good book is the precious life-blood of a master spirit" আমাৰ সংস্কৃততো এষাৰি কথা উল্লেখ আছে, "নহি সম্পদ পুস্তকাৎ পৰা " অৰ্থাৎ গ্ৰন্থতকৈ অন্য একো ডাঙৰ সম্পত্তি হ'ব নোৱাৰে। একেদৰে এমিলৱেলে কৈছিল - 'আটাইবোৰ কিতাপেই হয় স্বপ্ন নহয় তৰোৱাল। শব্দৰ সহায়েৰে তুমি মানুহক কাটিব পাৰা অথবা নিচাগ্ৰস্ত কৰিব পাৰা।'

আমি আমাৰ জীৱনত বন্ধু বিচাৰোঁ, বন্ধু বিচৰাটো যিমান সহজ, সিমানে টান বন্ধু চিনি পোৱাটো বা এজন ভাল বন্ধু বিচাৰি পোৱাটো। আমি আমাৰ তথাকথিত বন্ধুবৰ্গৰ লগত এখন মহৎ গ্ৰন্থ তুলনা কৰিলে দেখিম যে, বন্ধুবৰ্গৰ পৰা আমাৰ যিমান লাভ হয়, তাতকৈ দুগুণ লাভ হয়, সেই মহৎ গ্ৰন্থখন অধ্যয়নৰ দ্বাৰা। অৱশ্যে এটা কথা ঠিক যে সকলো গ্ৰন্থই উপকাৰী নহয়। আজিৰ ভোগবাদী সমাজ ব্যৱস্থাৰ কিছুমান তথাকথিত সাহিত্যিকে গ্ৰন্থ আৰু সাহিত্যচৰ্চা এই দুয়োটা বিষয়কে পণ্য সামগ্ৰীৰূপে পৰিগণিত কৰাইছে। যিবোৰ গ্ৰন্থৰ সাহিত্যিক মূল্য নাই বুলিলেও হয়। সেইবিলাক গ্ৰন্থৰ কোনো গুণ নাই, সেইবোৰে সমাজৰ উপকাৰ নকৰে, বৰং অপকাৰহে কৰে। গতিকে সমাজ ধ্বংসকাৰী গ্ৰন্থবোৰ দূৰত ৰাখি আমি মহৎ গ্ৰন্থসমূহ অধ্যয়ন কৰা উচিত। বন্ধুৱে আমাক প্ৰতাৰণা কৰিব পাৰে, কিন্তু মহৎ গ্ৰন্থ এখনে আমাক প্ৰতাৰণা নকৰে, বৰং বিপদৰ সময়ত পথ নিৰ্দেশকৰ ভূমিকা পালন কৰে। সেয়ে আমি ক'ব পাৰোঁ 'Book is the best friend of man'



'মানুহে আজিলৈকে উচ্চাৰণ কৰা মহত্তম শব্দটো হ'ল কিতাপ'- উক্তিষাৰি বাৰ্ণাড লেভিনৰ। সেইদৰে কিতাপ সম্পৰ্কত মিল্টনে কৈছিল, "A good book is the precious life-blood of a master spirit".
আমাৰ সংস্কৃততো এষাৰি কথা উল্লেখ আছে, "নহি সম্পদ পুস্তকাৎ পৰা " অৰ্থাৎ গ্ৰন্থতকৈ অন্য একো ডাঙৰ সম্পত্তি হ'ব নোৱাৰে।

আমি যদি প্ৰশ্ন কৰোঁ জীৱনটো কি বা আমি জীৱনত কি বিচাৰোঁ? তেন্তে আমি ক'ব লাগিব যে জীৱনত নিশ্চয় আমি সফলতাৰ শীৰ্ষত আৰোহণ কৰিব বিচাৰোঁ বা এক আকাংক্ষিত নিৰ্দ্দিষ্ট গতি পথেৰে গতি কৰিব বিচাৰোঁ। তাৰবাবে লাগে এক পথ প্ৰদৰ্শক। হাতত ধৰি আগুৱাই লৈ যাবলৈ লাগে এক বিশ্বস্ত বন্ধু আৰু সেই বন্ধুজন আন কোনো নহয়, আমাৰ হাতত থকা এখন মহৎ গ্ৰন্থ।

জ্ঞান মানুহৰ পৰম সম্পদ, যি সম্পদ চোৰেও চুৰি কৰিব নোৱাৰে। সাগৰৰ অটল তলিত মুকুতা থকাৰ দৰে এখন মহৎ গ্ৰন্থৰ অন্তৰালত মুকুতা সদৃশ জ্ঞান থাকে। সাগৰৰ মুকুতা লভিবলৈ আমি উদ্বাউল হোৱাৰ দৰে জ্ঞান সাগৰৰ মুকুতা লভিবলৈও আমি উদ্বাউল হ'ব লাগে আৰু মুকুতাৰ সন্ধানত গ্ৰন্থ সমুদ্ৰত জাপ দিব লাগে। মণিষীসকলে কোৱাৰ দৰে "এখন ভাল কিতাপ নষ্ট কৰা আৰু এজন মানুহক হত্যা কৰা একে কথা"। উক্ত তত্বগধুৰ কথাষাৰিৰ পৰাই অনুধাৱন কৰিব পাৰি এখন মহৎ গ্ৰন্থৰ মূল্য কিমান। এজন ভাল মানুহৰ গুৰুত্ব যিমান, এখন ভাল গ্ৰন্থৰো গুৰুত্ব সিমান। এখন গ্ৰন্থত সেই গ্ৰন্থখনৰ গ্ৰন্থকাৰজনৰ মনৰ প্ৰতিচ্ছবি প্ৰতিফলিত হয়। সেই গ্ৰন্থখন অধ্যয়ন কৰিলে আমি লেখকজনৰ মনৰ সম্ভেদ পাওঁ আৰু গ্ৰন্থখন বাৰম্বাৰ অধ্যয়ন কৰিলে লেখকজনৰ সংগত থকা যেন সুফল হয়। তেনেদৰেই এখন ভাল গ্ৰন্থ অধ্যয়নে গ্ৰন্থকাৰৰ ভাল সংগ লাভত অৰিহণা যোগায়।

খাই-বৈ জীয়াই থকাটোৱেই জীৱন নহয়। জীৱন বুলি ক'লে কৰিবলগীয়া বহুত কাম থাকে। জীৱনত আমাৰ দায়িত্বখিনি, কৰ্ত্তব্যখিনি আমি নিষ্ঠাৰে পালন কৰিব লাগে আৰু জগতবাসীয়ে মনত ৰখাকৈ কিবা এটা কৰিব লাগে। সেই নিৰ্দ্দিষ্ট কিবা এটা কৰিবলৈ হ'লে গ্ৰন্থ অধ্যয়ন কৰাটো অতি জৰুৰী। এইখিনিতে উনুকিয়াব পাৰি ডেল কাৰ্নেগী, নৰ্মেন ভিনচেন্ট পিল, নেপোলিয়ন হিল, ড° পাৰ্থ চট্টোপাধ্যায়, মহাত্মা গান্ধী, ড° এ, পি, জে, আব্দুল কালাম, হোমেন বৰগোহাঁঞি আদি বাস্তৱিক চিন্তা ধাৰাৰ লেখকসকলৰ কথা। তেওঁলোকৰ লিখনিত বাস্তৱবাদিতা অতি সুন্দৰভাৱে প্ৰকাশ পাইছে, যিবোৰ কাৰোবাৰ বাবে হ'ব পাৰে প্ৰেৰণা, উৎসাহ, পৰামৰ্শ আৰু সফলতাৰ ৰহস্য। উপৰোক্ত লেখকসকলৰ গ্ৰন্থ অধ্যয়নৰদ্বাৰা আত্মবিশ্বাস বঢ়াব পাৰি, হেৰাই যোৱাৰ উদ্যম ঘূৰাই পাব পাৰি আৰু কৰ্মপ্ৰেৰণা লাভ কৰিব পাৰি। 'মোৰ সত্য অন্বেষণৰ কাহিনী', 'অগ্নিৰ ডেউকা', 'মানুহ হোৱাৰ গৌৰৱ', 'জীৱন জীৱন বৰ অনুপম' আদি গ্ৰন্থৰ প্ৰভাৱ কোনে নুই কৰিব পাৰে। একোখন মহৎ গ্ৰন্থ অধ্যয়নৰদ্বাৰা মৃতপ্ৰায় জীৱনেও নতুন জীৱন পোৱাৰ উদাহৰণ অলেখ আছে। কেৱল আধুনিক যুগৰ এই গ্ৰন্থসমূহেই মাত্ৰ নহয়, পৌৰাণিক যুগৰ ধৰ্ম গ্ৰন্থ, আখ্যান গ্ৰন্থ আদিৰো জীৱন গঢ় দিয়াত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা আছে।

নীতিশিক্ষা মানৱ জীৱনৰ বাবে অতি জৰুৰী আৰু এই

খাই-বৈ জীয়াই থকাটোৱেই জীৱন নহয়। জীৱন বুলি ক'লে কৰিবলগীয়া বহুত কাম থাকে। জীৱনত আমাৰ দায়িত্বখিনি, কৰ্ত্তব্যখিনি আমি নিষ্ঠাৰে পালন কৰিব লাগে আৰু জগতবাসীয়ে মনত ৰখাকৈ কিবা এটা কৰিব লাগে। সেই নিৰ্দ্দিষ্ট কিবা এটা কৰিবলৈ হ'লে গ্ৰন্থ অধ্যয়ন কৰাটো অতি জৰুৰী।

শিক্ষা বাল্য অৱস্থাতে প্ৰদান কৰিব লাগে। মহাভাৰত, ৰামায়ণ, বাইবেল, গীতা, পুৰাণ, কোৰাণ আদি ধৰ্মগ্ৰন্থ সমূহ অধ্যয়নৰ

দ্বাৰা সেই শিক্ষা শিশুক প্ৰদান কৰিব পাৰি। তেতিয়াহে শিশুসকলে ভাল-বেয়াৰ পাৰ্থক্য বুজি পাব। এই নীতিজ্ঞানৰ দ্বাৰা সমাজত প্ৰচলিত অন্যায়, দুৰ্নীতি, অবিচাৰ বহুখিনি লাঘৱ কৰিব পৰা যাব।

আমি আমাৰ জীৱন পোহৰাব লাগিব জ্ঞান সূৰ্য্যৰ আলোকেৰে। এই জগত পোহৰাব লাগিব জ্ঞানৰ মহিমামণ্ডিত প্ৰকাশেৰে। তেতিয়াহে জগতৰ উন্নতি হ'ব। নহলে অন্ধকাৰৰ অটল গহ্বৰত লীন হৈ যাব সৃষ্টিৰ মৰ্য্যাদা। তমসা দূৰ কৰাই হ'ল জ্ঞানৰ উদ্দেশ্য। জীৱনত উন্নতি কৰিবলৈ হলে, জগতৰ উন্নতি কৰিবলৈ হ'লে গ্ৰন্থ অধ্যয়ন কৰাটো অত্যন্ত জৰুৰী। একো একোখন মহৎ গ্ৰন্থ অধ্যয়নে মানুহৰ মনক মহান কৰিব পাৰে আৰু মানুহৰ জ্ঞানৰ ভঁৰাল চহকী কৰিব পাৰে।

Knowledge is the best power of human life. এই জ্ঞান আমি বিভিন্ন উপায়েৰে আহৰণ কৰিব পাৰোঁ যদিও আটাইতকৈ সহজলভ্য উপায়টো হৈছে গ্ৰন্থ অধ্যয়ন। আমি দেশ-বিদেশ ভ্ৰমণ কৰি বা বিভিন্ন দেশৰ পণ্ডিতসকলৰ সৈতে আলোচনাত বহি জ্ঞানোপাৰ্জন কৰিব পাৰোঁ। কিন্তু সেয়া সকলোৰে পক্ষে সম্ভৱ নহয়। গতিকে আমি সেইসকল পণ্ডিতৰ গ্ৰন্থ অধ্যয়ন কৰি নানা জ্ঞান অৰ্জন কৰিব পাৰোঁ। এই ক্ষেত্ৰত অনুবাদ গ্ৰন্থ, ভ্ৰমণ কাহিনী আদি পঢ়ি আমি দেশ-বিদেশৰ নজনা কথা ঘৰত বহিয়েই জানিব পাৰো। সেয়েহে সত্যনাথ বৰাই কৈছে- 'প্ৰত্যেক পুথি একোজন মানুহৰ থুপাই থোৱা বিদ্যাৰ ভঁৰাল।' বিদ্যা বা জ্ঞানৰ অবিহনে মানৱ জীৱন অসাৰ। অতীজত মহাপুৰুষসকলে বহু কষ্টেৰে অৰ্জা জ্ঞান আৰু কৌশল আজি আমি তেওঁলোকে ৰচনা কৰা গ্ৰন্থসমূহ অধ্যয়ন কৰিয়েই কম আয়াসতে, সেই কৌশল, সেই জ্ঞান আয়ত্ব কৰিব পাৰোঁ। তেখেতসকলে সেইবোৰ গ্ৰন্থত লিপিবদ্ধ কৰি থৈ নোযোৱাহেঁতেন আজি আমি কিমান পিছ পৰি ৰ'লোহেঁতেন !

জ্ঞানহীন লোক অন্ধকাৰ কোঠালি এটাত বন্দী মানুহৰ দৰে, য'ত পোহৰ সোমোৱাৰ কোনো ৰাস্তা নাই আৰু য'ত নিজৰ শৰীৰটোও দেখা পোৱা নাযায়। মহৎ গ্ৰন্থ অধ্যয়নে আমাৰ মনৰ অন্ধকাৰ দূৰ কৰে, অন্ধবিশ্বাস, কু-সংস্কাৰ আঁতৰ কৰে আৰু জীৱনৰ বাবে আমাক প্ৰস্তুত কৰে। বৰ্ত্তমানৰ ভোগবাদী যান্ত্ৰিক সমাজ ব্যৱস্থাত আমাৰ যেন হাতত সময় নাই এখন মহৎ গ্ৰন্থ পঢ়িবলৈ। গ্ৰন্থ এখনে মনৰ অৱসাদ দূৰ কৰে আৰু ই আজৰি সময়ৰ বিশ্বস্ত সংগী। অথচ আজিৰ মানুহে কম্পিউটাৰ, ভিডিঅ' গেম আদিক আজৰি সময়ৰ লগৰী কৰি লৈছে। গ্ৰন্থ অধ্যয়নৰ মানসিকতা আমাৰ মাজৰ পৰা লাহে লাহে হেৰাই যাবলৈ ধৰিছে। সেয়েহে পঢ়নৰ অভ্যাস গঢ়ি তুলিবলৈ সৰুৰে পৰাই চেষ্টা কৰিব লাগিব। এই ক্ষেত্ৰত পিতৃ-মাতৃ তথা অভিভাৱকে শিশুক উপযুক্ত শিশু পুথি যোগান ধৰি পঢ়াৰ পৰিৱেশ দিব লাগিব। শিশু পুথি সমূহো সহজ সৰল, আমোদজনক তথা সহজে পোৱা বিধৰ হোৱা দৰকাৰ।

এখন মহৎ গ্ৰন্থৰ মানৱ জীৱনলৈ দিয়া অৱদান একোৰে জুখিব নোৱাৰি। এখন ভাল গ্ৰন্থ আমাৰ বাবে Friend, philosopher and guide স্বৰূপ। সেয়ে আমি ক'ব পাৰোঁ-

"গ্ৰন্থ জীৱনৰ বাবে
গ্ৰন্থ পোহৰৰ বাবে।"

□□□

**প্ৰসঙ্গ ৰচনাৱলী-**


- ৰাভা, ড° মালিনা দেৱী - গ্ৰন্থ আৰু শিশুগ্ৰন্থ -সমাজ গঠনত ইয়াৰ ভূমিকা (প্ৰৱন্ধ)
- বৰা, সত্যনাথ - পুথি অধ্যয়ন (প্ৰৱন্ধ)

# বিজ্ঞান আৰু শান্তি

বাহুল দৈমাৰী
উঃ মাঃ ১ম বৰ্ষ (বিজ্ঞান শাখা)

কোনো বিষয় বা পৰিঘটনা সন্দৰ্ভত প্ৰণালীবদ্ধ পৰ্যবেক্ষণ বা অধ্যয়নৰ মাজেৰে আমাৰ মনত যি ধাৰণাৰ সৃষ্টি হয় তাক আমি কিছু পৰিমাণে বিজ্ঞান সন্মত ধাৰণা বুলি ক'ব পাৰো। বিজ্ঞান এক প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াৰ জৰিয়তে তথ্য উদঘাটন বা জ্ঞানৰ সৃষ্টি হয়। অৰ্থাৎ কোনো বিষয়ত কৰা প্ৰণালীবদ্ধ অধ্যয়ন আৰু সেই অধ্যয়নৰ ফলস্বৰূপে লাভ কৰা বিশেষ জ্ঞানেই হৈছে বিজ্ঞান।

বিজ্ঞানৰ জৰিয়তে সৃষ্টি হোৱা জ্ঞান সমূহ কৌশলগতভাৱে প্ৰয়োগ কৰা বা তাৰ জৰিয়তে যিকোনো যন্ত্ৰ বা কৌশল উদ্ভাৱন কৰা প্ৰক্ৰিয়াটোৱেই হ'ল প্ৰযুক্তি। বিজ্ঞানৰ প্ৰক্ৰিয়া সমূহ এই পৰ্যায়ত অনেকবাৰ পুনৰাবৃত্তি হ'ব পাৰে।

মানুহ জীৱশ্ৰেষ্ঠ। মানুহৰ মগজু আৰু কাৰ্যক্ষমতাই আন জীৱতকৈ উন্নত আৰু পৃথক হিচাপে পৰিচিত কৰাইছে। মানুহৰ এই উন্নত চিন্তাধাৰাৰ ফল শ্ৰুতিতে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সৃষ্টি হৈছে। সেই তাহানিৰ আদিম বন্য জীৱনৰ পৰা আৰম্ভ কৰি বৰ্তমানৰ এই সভ্য সমাজলৈ বিজ্ঞানৰ অৱদান অপৰিসীম। বৰ্তমান বিজ্ঞানৰ যুগ। বিজ্ঞান অবিহনে বৰ্তমান যুগত এখোজো আগবাঢ়িব নোৱাৰি। পুৱা শুই উঠাৰ পৰা ৰাতি শোৱালৈকে গোটেই সময়খিনি বিজ্ঞানেই আৱৰি আছে।

**শান্তিৰ বাতাবৰণ সৃষ্টিত বিজ্ঞানৰ ভূমিকা ঃ** সমস্ত জীৱ জগতত বাধাপ্ৰাপ্ত নহৈ স্বাভাৱিক জীৱন অতিবাহিত কৰিব পৰা প্ৰক্ৰিয়াটোৱেই হৈছে শান্তি প্ৰক্ৰিয়া। এই শান্তি প্ৰক্ৰিয়া অব্যাহত ৰখাত বিজ্ঞানে যথেষ্ট অৱদান আগবঢ়াই আহিছে।

অভাৱেই আৱিষ্কাৰৰ মূল। অতীজৰে পৰা মানুহে কিবা এটা অভাৱ অনুভৱ কৰাৰ ফলশ্ৰুতিতে একো একোটা মহান

> এটা মুদ্ৰাৰ হৈপিঠি-সিপিঠি থকাৰ দৰে আমাৰ পৃথিৱীখনত থকা প্ৰতিটো বিষয়বস্তুৰে ভাল আৰু বেয়া এই দুয়োটা দিশেই আছে। সেইদৰে বিজ্ঞান বিষয়টোৰো ভাল বেয়া দুয়োটা দিশেই দেখিবলৈ পোৱা যায়। মানুহে জীৱশ্ৰেষ্ঠ হিচাপে চিন্তা-শক্তি বা বিবেকৰ দ্বাৰা পৰিচালিত হৈ বিজ্ঞান বা আন যিকোনো বিষয়ৰ বেয়াবোৰ ত্যাগ কৰি ভালবোৰ গ্ৰহণ কৰিব লাগে। তেতিয়া বিজ্ঞানে মানৱজাতিলৈ কল্যাণ তথা শান্তি কঢ়িয়াই আনিবলৈ সক্ষম হ'ব।

বস্তুৰ আৱিষ্কাৰ সম্ভৱ হৈছে আৰু এই আৱিষ্কাৰবোৰ সহজসাধ্য হৈছে একমাত্ৰ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ জয়যাত্ৰাৰ বাবে। বিজ্ঞানে মানৱ জাতিলৈ সকলো ক্ষেত্ৰতে অৱদান যোগাইছে।

যেনে- বিজ্ঞানৰ আবিষ্কৃত যন্ত্রপাতিৰ ব্যৱহাৰৰ ফলত মানুহৰ শাৰীৰিক, মানসিক শ্রম লাঘৱ হৈছে। অফিচ-কাছাৰীত কাম ক্ষীপ্রগতিত আগুৱাই নিব পৰা হৈছে। তদুপৰি বিজ্ঞান প্রযুক্তি বিদ্যাৰ অত্যাধিক আধুনিকীকৰণৰ ফলত বহুতো জটিল ৰোগৰ চিকিৎসা ওলাইছে আৰু উন্নত অস্ত্রোপচাৰৰ ফলত মৃতপ্রায় মানুহে নতুন জীৱন লাভ কৰিবলৈ সক্ষম হৈছে। ফলত মানুহে দীৰ্ঘ আৰু সুস্থ জীৱন লাভ কৰিব পাৰিছে আৰু জগতবাসীৰ বাবে বিজ্ঞানে শান্তিৰ বাতাবৰণ সৃষ্টি কৰিছে। বিজ্ঞানৰ আৱিষ্কাৰৰ ফল যেনে- দূৰদৰ্শন, ৰেডিঅ', বাতৰিকাকত আদিৰ দ্বাৰা জনমত গঠন কৰি এখন দেশৰ জনসাধাৰণৰ মাজত একতা আৰু শান্তি-সম্প্রীতিৰ ভাৱ জগাই তুলিব পাৰি। বিজ্ঞানৰ ফলতে যাতায়ত, পৰিবহন আৰু যোগাযোগ ব্যৱস্থা সমজসাধ্য হৈছে, পৰ্যটন সম্ভৱ হৈছে। ফলত এখন দেশৰ লগত আন এখন দেশৰ সংযোগ স্থাপন সম্ভৱ হৈছে। দেশ বিদেশৰ মানুহৰ লগত ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক, সাহিত্য আদি বিভিন্ন দিশত হোৱা সমন্বয় আৰু মতৰ আদান প্রদানৰ ফলত বিভিন্ন দেশৰ মাজত সদ্ভাৱ আৰু সম্প্রীতি গঢ় লৈ উঠিছে। বিজ্ঞানৰ বলত সম্ভৱ হোৱা এনেকুৱা বিভিন্ন অঞ্চল, দেশৰ মাজত হোৱা সংযোগৰ হেতু আঞ্চলিক, ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় বুজাপৰা তথা শান্তি স্থাপন সম্ভৱ হৈছে। তেনেদৰে বিজ্ঞানৰ ফলত সৃষ্টি হোৱা কল-কাৰখানাসমূহত উৎপাদন কৰা সামগ্ৰী অধিক ব্যৱহাৰোপযোগী। হাতেৰে কৰা কাম বা উৎপাদনতকৈ কল-কাৰখানা সমূহত কৰা কাম বা উৎপাদন অধিক নিখুত হয় আৰু কম সময়ৰ ভিতৰতে অধিক উৎপাদন সম্ভৱপৰ হয়। ফলত দেশ এখনে আৰ্থিকভাৱে উন্নতি লাভ কৰে আৰু জনসাধাৰণো আৰ্থিক দিশত স্বাৱলম্বী হয়। ইয়াৰ দ্বাৰা দেশ এখনৰ জনসাধাৰণৰ মাজত শান্তিৰ বাতাবৰণ সৃষ্টি হয়।

অতীজৰে পৰা আমাৰ সমাজত অন্ধবিশ্বাস, কু-সংস্কাৰে গা কৰি আহিছে আৰু বৰ্ত্তমানৰ সভ্য শিক্ষিত সমাজতো ইয়াৰ প্রভাৱ নুই কৰিব নোৱাৰি। পুৰণি কালত বিশেষকৈ গাঁৱলীয়া সমাজত অসুখ-বিসুখ হ'লে কবিৰাজ, তান্ত্রিকৰ দ্বাৰা চিকিৎসা কৰা হৈছিল আৰু বৰ্ত্তমানো কৰোৱা হয়। ইয়াৰ ফলত চিকিৎসাৰ সময়সীমা দীঘলীয়া হয় আৰু উপযুক্ত চিকিৎসাৰ অভাৱত ৰোগী মৃত্যুমুখত পৰে। অন্ধবিশ্বাসৰ বাবেই বহুতো নিৰীহ লোকক ডাইনী সন্দেহত হত্যা কৰাৰ দৰে বহুতো ঘটনা সংঘটিত হৈ আছে। এনেবোৰ ঘটনাই আমাৰ সমাজ জীৱনত এক অস্থিৰ আৰু অশান্তিময় বাতাবৰণ সৃষ্টি কৰে। কিন্তু বিজ্ঞানে এই অন্ধবিশ্বাস, কু-সংস্কাৰ লাঘৱ কৰাত যথেষ্ট পৰিমাণে সহায় কৰিছে। স্কুল-কলেজত বিজ্ঞান শিক্ষাৰ বিস্তাৰ হোৱাৰ ফলত মানুহে বৰ্ত্তমান যুগত প্রতিটো কথাই যুক্তিসংগত ভাৱে বিচাৰ বিশ্লেষণ কৰি চাব পৰা হৈছে। ফলত অন্ধবিশ্বাস, কু-সংস্কাৰ আদি সামাজিক ব্যাধিসমূহ যথেষ্ট পৰিমাণে হ্ৰাস পাইছে। সেইদৰে বিজ্ঞান শিক্ষাৰ প্ৰভাৱৰ ফলতে পৰিয়াল সমূহে স্বাস্থ্য সম্পৰ্কীয় সজাগতা অৱলম্বন কৰিবলৈ সক্ষম হৈছে আৰু জনসাধাৰণে এক সুস্থ সবল জীৱন যাপন কৰিবলৈ সক্ষম হৈছে।

আমাৰ চৌপাশৰ জগতখনত অসংখ্য জীৱ-জন্তু আছে আৰু এই জীৱ-জন্তু সমূহক আকৌ পৃথিৱীৰ বিভিন্ন প্রান্তত বিভিন্ন নামেৰে জনা যায়। কিন্তু বিজ্ঞানসন্মত দৃষ্টিভংগীৰে কোনো এটা বিষয় অধ্যয়ন কৰিব যাঁওতে এনেকুৱা বিভিন্ন ভাষাৰ বিভিন্ন নামে নানা অসুবিধাৰ সৃষ্টি কৰে। সেয়ে সকলো দিশ চালি জাৰি চাই বিজ্ঞানী সকলৰ গৱেষণাৰ সুবিধাৰ্থে এই জীৱ-জন্তুবোৰৰ বৈজ্ঞানিক নামকৰণ কৰা হৈছে। এনেকুৱা বৈজ্ঞানিক নামকৰণে বিজ্ঞানীসকলৰ মাজত ভাষাগত বিভেদ দূৰ কৰি ঐক্য-সম্প্রীতি বজাই ৰখাত সহায় কৰে।

**বিজ্ঞানেই আনিছে অশান্তিৰ বতৰা ঃ** এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি থকাৰ দৰে আমাৰ পৃথিৱীখনত থকা প্রতিটো বিষয়বস্তুৰে ভাল আৰু বেয়া এই দুয়োটা দিশেই আছে। সেইদৰে বিজ্ঞান বিষয়টোৰো ভাল বেয়া দুয়োটা দিশেই দেখিবলৈ পোৱা যায়। মানুহে জীৱশ্ৰেষ্ঠ হিচাপে চিন্তা-শক্তি বা বিবেকৰ দ্বাৰা পৰিচালিত হৈ বিজ্ঞান বা আন যিকোনো বিষয়ৰ বেয়াবোৰ ত্যাগ কৰি ভালবোৰ গ্ৰহণ কৰিব লাগে। তেতিয়া বিজ্ঞানে মানৱজাতিলৈ কল্যাণ তথা শান্তি কঢ়িয়াই আনিবলৈ সক্ষম হ'ব। কিন্তু মানুহে কৰা বিজ্ঞানৰ অপপ্রয়োগে বিজ্ঞানক ধ্বংসমুখী বিষয় হিচাপেহে পৰিগণিত কৰাইছে। বিজ্ঞানৰ

অগ্ৰগতিৰ ফলস্বৰূপে প্ৰকৃতিৰ ওপৰত অত্যধিক চাপ পৰিছে, ফলত প্ৰকৃতিজগত ভাৰসাম্যহীন হৈ পৰিছে। বিজ্ঞানৰ অগ্ৰগতিৰ ফলতেই হাবি-বননি ধ্বংস কৰি উদ্যোগ স্থাপন কৰা হৈছে, ফলত বানপানী, ভূমিস্খলন, খৰাং, আদিৰ দৰে বিভিন্ন প্ৰাকৃতিক দুৰ্যোগে দেখা দিছে। এই প্ৰাকৃতিক দুৰ্যোগৰ হেতু খাদ্যসংকটে দেখা দিছে, সা-সম্পত্তি ধ্বংস হৈছে, মানুহ বিভিন্ন ৰোগৰ চিকাৰ হৈছে আৰু বহুতো মানুহ মৃত্যুমুখত পৰিবলগীয়া হৈছে। বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে আমাৰ চৌপাশৰ পৰিৱেশ দূষিত হৈছে। পৰিৱেশৰ বিভিন্ন উপাদান, যেনে- বায়ু, পানী, মাটি আদি সকলো প্ৰদূষিত হৈছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অৱদান, যেনে- গাড়ী, মটৰ, কল, কাৰখানা আদিৰপৰা নিৰ্গত ধোঁৱাই বায়ু প্ৰদূষিত কৰিছে। সেইদৰে উদ্যোগৰ অপচয় বিলাক নদী, সাগৰ আদিত পেলাই দিয়া বাবে এই পানী দূষিত হৈছে আৰু এইবোৰত বসবাস কৰা জলজ প্ৰাণী তথা উদ্ভিদবোৰৰ জীৱন ধাৰণ অসম্ভৱ হৈ পৰিছে। গাড়ী-মটৰ, কল-কাৰখানাৰ উচ্চ স্বৰৰ শব্দই শব্দ প্ৰদূষণ কৰিছে। আকৌ খেতিমাটিত ৰসায়নিক সাৰৰ প্ৰয়োগে মাটিৰ প্ৰদূষণ ঘটাইছে।

মানৱ সভ্যতা বিকাশৰ লগে লগে প্ৰদূষণৰ আৰম্ভণি হয় যদিও উদ্যোগীকৰণৰ ফলত ইয়াৰ প্ৰভাৱ সুস্পষ্ট হয়। উদ্যোগীকৰণ আৰু যান-বাহনৰ পৰা নিৰ্গত হোৱা প্ৰদূষকবোৰে সাধাৰণতে লাহে লাহে বিয়পি পৰিৱেশ প্ৰদূষণৰ সৃষ্টি কৰিছে। আকৌ কেতিয়াবা কিছুমান প্ৰদূৰ্ষকে এনে কিছুমান দুৰ্ঘটনাৰ সৃষ্টি কৰে যে হঠাৎ কোনো অঞ্চলৰ প্ৰদূষণৰ চৰমসীমা পায়গৈ আৰু জীৱ-জন্তুৰ মৃত্যু ঘটায়। উদাহৰণ স্বৰূপে মিউচী উপত্যকাৰ দুৰ্ঘটনা, ড'ন'ৰা দুৰ্যোগ, ১৯৫২ চনৰ লণ্ডনৰ দুৰ্যোগ, ভূপালৰ গেছ দুৰ্ঘটনা আদি বায়ু প্ৰদূষণৰ ফলত সংঘটিত হোৱা দুৰ্ঘটনা যাৰ ফলত বহুতো ক্ষতিসাধন হৈছে আৰু বহুতো মানুহ ৰুগীয়া হোৱাৰ উপৰিও মৃত্যুমুখতো পৰিবলগীয়া হৈছে। সেইদৰে জলপ্ৰদূষণেও জগতবাসীৰ ওপৰত অলেখ কুপ্ৰভাৱ বিস্তাৰ কৰিছে। যেনে- জাপানৰ মিনামাটা সাগৰত হোৱা জলপ্ৰদূষণৰ ফলত সৃষ্টি হোৱা মিনামাটা ৰোগে জীৱৰ বিস্তৰ ক্ষতিসাধন কৰিছিল।

বিজ্ঞানে অৰিহণা যোগোৱা আন এটা জলন্ত সমস্যা হ'ল সন্ত্ৰাসবাদ। সন্ত্ৰাসবাদ বৰ্তমান সময়ত সমগ্ৰ জগত বাসীৰ বাবে জীৱনৰ প্ৰতি এক ভাবুকিস্বৰূপ হৈ পৰিছে আৰু ই সমস্ত পৃথিৱীৰ বাবেই এক বোজা আৰু সমস্যা ৰূপে মূৰ দাঙি উঠিছে। উদাহৰণ স্বৰূপে ২০০৪ চনত সংঘটিত হোৱা ধেমাজীৰ বোমা বিস্ফোৰণ আৰু ২০০৮ ইং বৰ্ষৰ ৩০ অক্টোবৰত গুৱাহাটী, কোকৰাঝাৰ, বঙাইগাঁও আৰু বৰপেটা ৰ'ডত সংঘটিত হোৱা ধাৰাবাহিক বোমা বিস্ফোৰণ সন্ত্ৰাসবাদৰ বৰ্বৰতাৰ এক জলন্ত স্বাক্ষৰ। এই সন্ত্ৰাসবাদৰ বাবেই বহুতো দেশ এতিয়াও পিছপৰি আছে। সন্ত্ৰাসবাদে মূৰ দাঙি উঠাৰ ফলত গোটেই পৃথিৱীতে শান্তি বিঘ্নিত হৈছে আৰু চৌদিশে অশান্তি, সংশয়, জীৱনৰ নিৰাপত্তাহীনতাই বিৰাজ কৰিছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ফলত আৱিষ্কৃত হোৱা বিভিন্ন অস্ত্ৰ-শস্ত্ৰ, বোমা-বাৰুদ, সংযোগ স্থাপনৰ মাধ্যমবোৰৰ সহায়ত সন্ত্ৰাসবাদীসকলে অধিক সন্ত্ৰাস ৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। এই সন্ত্ৰাসবাদে গোটেই পৃথিৱীখন ছানি ধৰি স্বাভাৱিক জীৱন-যাত্ৰা ব্যাহত কৰাৰ লগতে শান্তি প্ৰক্ৰিয়াত ব্যাঘাত জন্মাইছে। সন্ত্ৰাসবাদৰ কুপ্ৰভাৱৰ ফলতেই মানুহে স্বাধীন জীৱন-যাপন কৰিব নোৱাৰা হৈছে।

সন্ত্ৰাসবাদৰ উপৰিও পৃথিৱীত বহুতো এনেকুৱা যুঁদ্ধ সংঘটিত হৈছে, যিবোৰে ইতিহাস কলংকিত কৰিছে। বিজ্ঞানৰ ফলত সৃষ্টি হোৱা অধিক শক্তিশালী বোমা-বাৰুদ, মাৰণাস্ত্ৰবোৰে যুদ্ধ সংঘটিত হোৱাত সমল যোগাইছে। উদাহৰণ স্বৰূপে ভিয়েটনামৰ যুদ্ধ, ১৯৭১ চনত সংঘটিত হোৱা বাংলাদেশৰ স্বাধীনতা যুদ্ধ, ১৯৩৯ চনৰ দ্বিতীয় বিশ্বযুদ্ধ আদি হ'ল বিজ্ঞানৰ অগ্ৰগতিয়ে বিভীষিকা সৃষ্টি কৰা তথা ইতিহাস কলংকিত কৰা কেইখনমান যুঁদ্ধ। বিজ্ঞানৰ অৱদান 'টকচিল' আৰু 'নাপাম' ৰসায়নিক বোমা বিস্ফোৰণদ্বাৰা মাৰ্কিন বাহিনীয়ে নিমিষতে শেষ কৰি পেলাইছিল ভিয়েটনামৰ মাইলাই চহৰ। যিবিলাক মানুহ জীৱিত অৱস্থাত আছিল তেওঁলোকক মৰা হৈছিল গুলিয়াই, বাকী থকা ঘৰ-দুৱাৰবোৰ বুলডজাৰ লগাই সমান কৰি পেলাইছিল। অকল ঘৰ দুৱাৰেই নহয় জলসিঞ্চন বান্ধ, পাহাৰৰ টিলা আদিও সমান কৰি পেলাইছিল আৰু তলত পৰি

ৰৈছিল হেজাৰ হেজাৰ নিৰপৰাধী লোকৰ মৃতদেহ। সেইদৰে বাংলাদেশৰ স্বাধীনতা যুদ্ধও আছিল অতি বিভীষিকাময়। ১৯৩৯ চনত সংঘটিত হোৱা দ্বিতীয় মহাযুদ্ধৰ ফলত সৃষ্টি হৈছিল ইতিহাসৰ পাতত ৰঙা আখৰেৰে লিপিবদ্ধ হোৱা নাগাছাকি- হিৰোছিমাৰ মৃত্যু বিভীষিকা। য'ত নেকি আমেৰিকাৰ পাৰমাণৱিক বোমা বহনকাৰী বিমান বি-২৯এ, মাৰাত্মক পাৰমাণৱিক বোমা 'লিটল' বয় আৰু 'ফেটমেন' নিক্ষেপ কৰি কলংকিত অধ্যায়ৰ সূচনা কৰিছিল। নাগাছাকি আৰু হিৰ'ছিমাত সংঘটিত হোৱা এই পাৰমাণৱিক বোমা বিস্ফোৰণৰ ফলত হোৱা দুৰ্যোগ সুদূৰপ্ৰসাৰী আছিল। এই ঘটনাৰ ফলত বহুতো মানুহ আহত তথা নিহত হোৱাৰ উপৰিও ইয়াৰ কু-প্ৰভাৱ আছিল ইমানেই দীৰ্ঘকালীন আৰু সুদূৰপ্ৰসাৰী যে, আনকি গৰ্ভস্থ সন্তানসকলো ইয়াৰ কুপ্ৰভাৱৰ পৰা হাত সাৰি থাকিব পৰা নাছিল।

মানুহেই প্ৰকৃততে পৃথিৱীখন নিয়ন্ত্ৰণ কৰি আছে। যিহেতু মানুহ জীৱশ্ৰেষ্ঠ, গতিকে বিজ্ঞানৰ পৰা প্ৰাপ্ত ভাল-বেয়া এই দুয়োটা দিশৰ মাজৰপৰা মানুহেই চালি-জাৰি চাই বিচাৰ কৰি ভাল দিশবোৰ গ্ৰহণ কৰাটো মানুহৰ কৰ্তব্য।

বিজ্ঞানৰ আৱিষ্কাৰসমূহে যদিও বহুত ক্ষতিসাধন কৰি আহিছে, তথাপিও সেই আৱিষ্কাৰ সমূহৰ যদি আমি সদব্যৱহাৰ কৰোঁ তেন্তে বিজ্ঞান নিশ্চয় কল্যাণকামী বিষয় হিচাপে পৰিগণিত হ'ব আৰু সমগ্ৰ জগতবাসীলৈ শান্তিৰ বতৰা কঢ়িয়াই আনিবলৈ সক্ষম হ'ব। উদাহৰণ স্বৰূপে বোমা-বাৰুদবোৰ খনিজ সম্পদ আহৰণ আদিত ব্যৱহাৰ কৰি এইবোৰৰ সদব্যৱহাৰ কৰিব পাৰি। এহাতে যদিও বিজ্ঞানেই ধ্বংস তথা অশান্তিৰ মূল, আনহাতেদি এই বিজ্ঞানেই সৃষ্টি তথা শান্তিৰো মূল। যদিও বিজ্ঞানেই পৰিৱেশ প্ৰদূষণ, সন্ত্ৰাসবাদ, যুদ্ধ বিগ্ৰহ আদিত অৰিহণা যোগাইছে তথাপিতো বিজ্ঞানে আকৌ এই সমস্যাবোৰ সমাধানত আগভাগ লৈছে। পৰিৱেশ প্ৰদূষণৰোধ কৰাৰ বাবে বিজ্ঞানেই উপায় উলিয়াইছে। সেইদৰে দেশ তথা জনসাধাৰণৰ নিৰাপত্তাৰ বাবে আৰু সন্ত্ৰাসবাদ, যুদ্ধ-বিগ্ৰহ ৰোধ কৰাৰ বাবেও বিজ্ঞানেই উপায় অৱলম্বন কৰিছে। বিজ্ঞানে প্ৰাকৃতিক দুৰ্যোগ ৰোধ কৰাৰ বাবে দায়িত্ব হাতত লৈছে। ছুইডেনৰ বিজ্ঞানী আলফ্ৰেড বাৰ্ণহাৰ্ড নোবেলৰ ইচ্ছা অনুসৰি বিজ্ঞান শান্তিৰ হকে ব্যৱহাৰ কৰিবলৈ প্ৰতিবছৰে বিভিন্ন দিশত পাৰদৰ্শিতা দেখুওৱা ব্যক্তিক নোবেল বঁটা প্ৰদান কৰা হয়। পৃথিৱীত শান্তি স্থাপনৰ বাবে প্ৰতিবছৰে অন্যান্য দিশৰ লগতে বিশ্ব শান্তিৰ বাবে বিশিষ্ট সেৱা আগবঢ়োৱা ব্যক্তিক বিশ্ব 'শান্তি'ৰ নোবেল বঁটা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। এইদৰে বিজ্ঞানে পৃথিৱীত শান্তি স্থাপনৰ বাবে প্ৰভূত অৰিহণা যোগাই আহিছে। মুঠতে বিজ্ঞানৰ আৱিষ্কৃত বস্তুসমূহে যিমানেই অশান্তি নানক, সিমানেই বিজ্ঞানে শান্তি কঢ়িয়াই আনিবলৈও তৎপৰ।

বিজ্ঞান অবিহনে বৰ্তমানৰ সমাজ চলি থাকিব নোৱাৰে, ই ধ্ৰুৱ সত্য। এক কথাত ক'বলৈ হ'লে বিজ্ঞান আৰু শান্তিৰ মাজত এক এৰাব নোৱাৰা সম্পৰ্ক আছে আৰু বিজ্ঞানৰ সুপ্ৰয়োগৰ জৰিয়তে পৃথিৱীত শান্তি অনা সম্ভৱ। আহক আমি সকলোৱে বিজ্ঞানৰ প্ৰয়োগৰ যোগেদি পৃথিৱীলৈ শান্তি কঢ়িয়াই আনো। □□□

উৎস ঃ (ক) বৰা, শোভন - ইতিহাস কলংকিত কৰা ভয়ঙ্কৰ যুদ্ধ কেইখন
(খ) বৰুৱা, গীতিমা কৌশিক, বৰুৱা, শান্তনু কৌশিক - নতুন জানানে

# অ' মোৰ সুৰীয়া মাত

হেলেনা আখ্‌টাৰ
উঃ মাঃ প্ৰথম বৰ্ষ (কলা)

ভাষা হৈছে মনৰ ভাৱ-অনুভূতি প্ৰকাশৰ এক মাধ্যম। মনৰ ভাৱ-অনুভূতি আদান-প্ৰদান কৰিবলৈ বা যোগাযোগ স্থাপনৰ বাবে যিবোৰ আচৰণ কৰা হয় সেইবোৰে ভাষা। ভাষা লিখিত বা কথিত দুয়োবিধৰে হ'ব পাৰে। নাইবা দেহৰ অংগী-ভংগীও ভাষা হ'ব পাৰে। সময় তথা প্ৰয়োজন বিশেষে শব্দ, প্ৰতীক আদিকো ভাষা বুলি ধৰা হয়। শিশুৰ পৰা ডাঙৰলৈকে সকলোৱে ভাষাৰ জৰিয়তে মনৰ ভাৱ-অনুভূতি প্ৰকাশ কৰি পাৰিপাৰ্শ্বিক অৱস্থাৰ লগত মিলিবলৈ চেষ্টা কৰে আৰু নানান জ্ঞান-অভিজ্ঞতা অৰ্জন কৰিবলৈ সক্ষম হয়।

পৃথিৱীৰ প্ৰান্তে-প্ৰান্তে নানান ভাষা আছে। এক কথাত প্ৰত্যেক জাতিৰে একোটাকৈ সুকীয়া ভাষা থাকে। এই ভাষাৰ জৰিয়তে জাতিটোৰ স্বৰূপ, স্বকীয় বৈশিষ্ট্য উপলব্ধি কৰিব পাৰি। আনহাতে ভাষা হৈছে অতীত, বৰ্ত্তমান আৰু ভৱিষ্যতৰ সমন্বয় স্বৰূপ।

বাস্তৱ জীৱনত মানুহে বহু ভাষা জানিব পাৰে। কিন্তু মাতৃ-ভাষাত কথা কৈহে মানুহে আনন্দ লাভ কৰে। এটি শিশুৱে মাতৃভাষাৰ জৰিয়তে নিজৰ মনৰ ভাৱ সহজতে প্ৰকাশ কৰিব পাৰে। মাতৃভাষাত যিকোনো কথা বুজি লৈহে আন ভাষাত সেই কথা প্ৰকাশ কৰিব পাৰে। সেইবাবে শিক্ষাবিদসকলে মাতৃভাষাৰ জৰিয়তে প্ৰাথমিক শিক্ষাদান কৰাৰ ওপৰত গুৰুত্ব দি আহিছে।

এজন মানুহে নিজৰ ভাষাটোক কিমান ভাল পায় সেইকথা ভাষাটো ব্যৱহাৰ কৰোতে ফুটি উঠে। ভাত এসাজ ৰান্ধনী এগৰাকীয়ে কিমান আন্তৰিকতাৰে ৰান্ধে খাওঁতাজনে বুজি পায়। সেইদৰে আমি কোৱা কথা, লিখাবোৰৰ মাজতে আমি আমাৰ ভাষাটোক কিমান ভাল পাওঁ, শ্ৰদ্ধা কৰো সেই কথা বুজি পোৱা যায়।

তাহানিৰ বিক্ৰমাদিত্যৰ ৰাজসভাত ভালেমান বিদগ্ধ পণ্ডিত আছিল। তাৰ ভিতৰত বৰাহৰুচি আৰু কালিদাস নামৰ দুজন কবি আছিল। কালিদাসৰ কথা প্ৰকাশ কৰাৰ শব্দ চয়নতে বিক্ৰমাদিত্যই তেওঁক শ্ৰেষ্ঠ আসন দিছিল। এবাৰ বৰাহৰুচিয়ে কৈছিল- 'শুষ্কং কাষ্ঠং তিষ্ঠতি অগ্ৰে।' সেই কথাটোকে

> *অসমীয়া ভাষাত ব্যৱহাৰ হোৱা জতুৱা ঠাচ, খণ্ডৱা যোজনা, খণ্ডবাক্য আদিৰ ব্যৱহাৰ আমি পাহৰিলোঁ। অথচ এইবোৰেই অসমীয়া ভাষাৰ সম্পত্তি আৰু স্বকীয় বৈশিষ্ট্য বহন কৰা সম্পদ।*

কালিদাসে কৈছিল- 'নীৰস তৰুবৰ পুৰুতোভাতি।' একেই অৰ্থ 'শুকান কাঠ এডোখৰ আগত আছে'। এনেদৰে বহু পণ্ডিতৰ নাম উল্লেখ কৰিব পাৰি যিসকলে গভীৰ অধ্যয়ন যোগে বহু ভাষাত পণ্ডিত্য লাভ কৰি খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে।

আজিকালি আমি আমাৰ ভাষাটোৰে কথা কওঁতে অতি শুৱলাকৈ কোৱাটো বাদেই বহু সময়ত শুদ্ধকৈ কবও নাজানো। বহুসময়ত অশুদ্ধ শব্দ প্ৰয়োগ কৰিয়েই আমি বাক্য ব্যৱহাৰ কৰো। যেনে- 'তোমাৰ মাতটো বৰ ধুনীয়া', 'মই ল' কৰি আছো', 'তোমাৰ আবৃত্তি বঢ়িয়া হৈছে,' 'তাৰ পৰীক্ষাৰ ফলাফল ধুনীয়া' ইত্যাদি। আনহাতে ঘৰত আমি ইংৰাজী, অসমীয়া, হিন্দী আদি ভাষা মিহলাই কথা কওঁ। কেতিয়াবা এনেকুৱা হয়

আমি মনৰ ভাৱ প্ৰকাশ কৰিবলৈ যেন মাতৃভাষাত উপযুক্ত শব্দ বিচাৰি নাপাওঁ। ফলত বহুপৰিমাণে হিন্দী বা ইংৰাজী ভাষাৰ শব্দকে ব্যৱহাৰ কৰো। অৱশ্যে বহুলোকে ইংৰাজী শব্দ ব্যৱহাৰ কৰিলে গুৰুত্ব বাঢ়ে বুলি ভাৱে। বহু সময়ত ইংৰাজী মাধ্যমত পঢ়া ল'ৰা-ছোৱালীয়ে অসমীয়া ভাষা লিখিব-পঢ়িব নাজানো বুলিও গৌৰৱ কৰে। আকৌ ইংৰাজী পঢ়িব নজনা জনেও ইংৰাজী শব্দ ব্যৱহাৰ কৰা দেখা যায়। সেইদৰে মা-দেউতা, খুড়া খুড়ী সম্বোধনৰ ঠাইত মাম্মী-পাপা, আন্টি-আংকল আদি সম্বোধনেহে গা কৰি উঠিছে।

আনহাতে আমি আমাৰ ৰাজ্য অসমৰ নামটো ইংৰাজী কৰি লৈছোঁ। অনুষ্ঠান-প্ৰতিষ্ঠান সমূহৰ নামবোৰো ইংৰাজীতে ব্যৱহাৰ কৰো। 'মাধ্যমিক শিক্ষা পৰিষদ অসম' কৰিছে- 'বৰ্ড অব্ চেকেণ্ডাৰী এডুকেশ্বন অৱ্ আছাম', চমুকৈ 'চেবা' সেইদৰে 'সদৌ অসম ছাত্ৰ সন্থা' চমুকৈ 'আছু'। মাধ্যমিক বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় আদি সুন্দৰ, শুৱলা শব্দৰ পৰিবৰ্ত্তে আমি হাইস্কুল, কলেজ, ইউনিভাৰচিটি বুলি কৈহে ভাল পাওঁ। চকী-মেজ, কলম আদি শব্দৰ অৰ্থ বহুতে বুজি নাপায়। সেইদৰে তপত পানী, জাৰৰ কাপোৰ, চাহ-পানী বকা, পিঠা ভঁজা, ভাত-ৰন্ধা, মাছ বচা, শাক কুটা আদি কথাও মানুহৰ মুখত নুশুনাৰ দৰেই হ'ল।

অসমীয়া ভাষাত ব্যৱহাৰ হোৱা জঠুৰা ঠাচ, ফঁকৰা যোঁজনা, খণ্ডবাক্য আদিৰ ব্যৱহাৰ আমি পাহৰিলোঁ। অথচ এইবোৰেই অসমীয়া ভাষাৰ সম্পত্তি আৰু স্বকীয় বৈশিষ্ট্য বহন কৰা সম্পদ।

বৰ্ত্তমান গোলকীকৰণৰ যুগ। গোলকীকৰণৰ প্ৰধান বৈশিষ্ট্য হৈছে- মুক্ত বাণিজ্য বা মুক্ত অৰ্থনীতি, মুক্ত শিক্ষা আদি। এইবোৰৰ কবলত পৰি মানুহ ক্ৰমান্বয়ে বস্তুবাদী হৈ পৰিছে। আজিৰ মানুহে নিজৰ সংস্কৃতি বাদ দি পশ্চিমীয়া সংস্কৃতি আকোৱালি লোৱাৰ প্ৰৱণতা গা কৰি উঠিছে। বিজ্ঞানৰ ন ন আবিষ্কাৰৰ বাবেও মানুহে নিজৰ ঐতিহ্যক এৰি নতুনৰ পাছে পাছে দৌৰি ফুৰিছে। ইয়াৰ ফলত বহু জাতিৰ নিজস্বতা চিৰ দিনৰ বাবে হেৰাই গৈছে। বহু ভাষা পৃথিৱীৰ পৰা নোহোৱা হৈছে। উল্লেখযোগ্য যে ভাষা আৰু সংস্কৃতি সদায় বৰ্দ্ধন হৈ থাকে। ইয়াৰ অবিহনে ভাষা-সংস্কৃতি স্থবিৰ যেন হ'ব।

বহু ভাষা জানিলে মানুহৰ জ্ঞান বৰ্দ্ধনত সহায়ক হয়। বহুক্ষেত্ৰত সুবিধাও হয়। আনহাতে তেনে লোকে পৃথিৱীৰ ইমূৰৰ পৰা সিমূৰ সহজে ঘূৰিব পাৰে। মন কৰিবলগীয়া যে অন্য ভাষা সংস্কৃতি আকোৱালি লোৱাৰ ফলত আমাৰ ভাষাটো যাতে হেৰাই নাযায় তাৰ বাবে ভাষাটো শুদ্ধভাৱে ব্যৱহাৰ কৰি থকাটো আমাৰ কৰ্ত্তব্য। আমি আমাৰ ভাষা মনে-প্ৰাণে ভাল পোৱা উচিত। তেতিয়াহে 'আমাৰ সুৰীয়া ভাষা' আৰু 'আমি' জীয়াই থাকিম। তাহানিয়ে সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা দেৱে কৈছিল-

"অ মোৰ সুৰীয়া মাত
অসমৰ সুৱদী মাত
পৃথিৱীৰ কতো বিচাৰি জনমটো
নোপোৱা কৰিলেও পাত

*(অসম সংগীত)।"*

□□□

*বিশ্ব প্ৰেম বিনন্দীয়া বুলি*
*অনুভৱ কৰা প্ৰতিজন অসমীয়া*
*তুমিওতো জানা এটা কথা-*
*আপোন মাতৃৰ অশ্ৰু নমচিলে*
*বিশ্ব প্ৰেম হ'ব বৃথা*
*তুমি বিশ্বৰ শৰীৰৰ পংগু অংগ হ'লে*
*বিশ্বই জানো ভাল পাব ?*

*পৃথিৱীত জনমি সচেতন নহ'লে*
*প্ৰাপ্যও খিতাতে হেৰাব*
*আমি অসমীয়া নহওঁ দুখীয়া*
*বুলি সান্তনা লভিলে নহ'ব ?*

*-ড০ ভূপেন হাজৰিকা*

# দ্য লিট্‌ল জিনিয়াছ



দৃশ্যপট ১ ঃ ৰবি শাস্ত্ৰী গৈছিল কাউন্টী ক্ৰিকেট খেলিবলৈ, চন ১৯৮৮। তাতেই ব্ৰিটিছ মিডিয়াই তেঁওক প্ৰশ্ন কৰিলে, "ভাৰতীয় ক্ৰিকেটত প্ৰতিভাৱান ক্ৰিকেটাৰৰ আৱিৰ্ভাৱ হৈছেনে?" কোনো বিলম্ব নকৰাকৈ শাস্ত্ৰীৰ উত্তৰ - হৈছে। ভগৱানে কেৱল ক্ৰিকেট খেলিবলৈহে পঠিয়াই দিছে এজন জিনিয়াছক। তেওঁৰ নাম শচীন তেণ্ডুলকাৰ।

দৃশ্যপট ২ ঃ স্কুল ক্ৰিকেটত দুৰ্দান্ত বেটিং কৰা সত্বেও লাভ নকৰিলে শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা। বঁটা বিতৰণী অনুষ্ঠানত মুখ্য অতিথি সুনীল গাভাস্কাৰৰ পৰা বঁটা গ্ৰহণ কৰিলে বিনোদ কাম্বলিয়েহে। স্বাভাৱিকতে হতাশ বিষ্ময় বালক। সেই দিনা হতাশ শচীনক দেখি পিছত এখন চিঠি লিখি গাভাস্কাৰে শচীনক উৎসাহিত কৰিছিল। চিঠিত লিখিছিল-"বহুতো অসাধাৰণ ক্ৰিকেটাৰ আছে যিয়ে বঁটা লাভ কৰা নাই। তাৰ ভিতৰত তুমিও এজন।" তাৎপৰ্য্যপূৰ্ণ যে গাভাস্কাৰেও উক্ত বঁটা লাভ কৰিব পৰা নাছিল।

দৃশ্যপট ৩ ঃ ১৯৮৯ চন, স্থান পাকিস্থানৰ পেছোৱাৰ। পাকিস্থানৰ সেই সময়ৰ ভয়াৱহ পেচাৰ আব্দুল কাদিৰৰ এটা অভাৰত তিনিটা ছয় আৰু দুটা চাৰিৰে ২৬ ৰাণ সংগ্ৰহ কৰিছিল ১৬ বছৰীয়া শচীনে। এনে ওঠ চেপিলে গাখীৰ ওলোৱা ল'ৰাজনে অনায়েসে ব'ল বাউণ্ডেৰীৰ বাহিৰলৈ পাৰ কৰাত খং উঠক চাৰি আব্দুলে হাত চাপৰি বজাই উৎসাহিত হে কৰিছিল। খেলৰ শেষত সতীৰ্থৰ প্ৰশ্ন- "ইমান কোবালে, অথচ তুমি আনন্দ কৰিছা?" তাৎক্ষণিক উত্তৰ -"মোৰ অৱসৰ ল'বলৈ আৰু বেছিদিন নাই মই আজিহে মাৰ খালো। পৰৱৰ্ত্তী সময়ত অন্য বলাৰক বেয়াকৈ কন্দুৱাব এই ল'ৰাজনে"। পেছোৱাৰত সেইদিনা শচীনৰ ৫৩ ৰাণ দুৰন্ত ইনিংছটো এদিনীয়াৰ ৰেকৰ্ড বুকত অন্তৰ্ভূক্ত নহ'ল কিয়নো বৰষুণৰ বাবে ২০ অভাৰলৈ হ্ৰাস

> শচীনৰ শৈল্পিক বেটিং উপভোগ কৰিবলৈয়ে ষ্টেডিয়ামত সমাৱেশ ঘটে অভূতপূৰ্ব দৰ্শকৰ। আনকি দক্ষিণ আফ্ৰিকাৰ গেৰী কাৰ্ষ্টেনেও স্বীকাৰ কৰিবলৈ বাধ্য হৈছে যে কেৱল শচীনৰ বেটিং উপভোগ কৰিবলৈহে [illegible] দৰ্শক আহে।

কৰুণা কলিতা
স্নাতক প্ৰথম বৰ্ষ (কলা)

কৰা মেচখনে এদিনীয়াৰ স্বীকৃতি লাভ কৰা নাছিল।

এয়াই শচীন ৰমেশ তেণ্ডুলকাৰ। বিশ্ব ক্রিকেটৰ সাম্প্ৰতিক সময়ৰ উজ্জ্বলতম নক্ষত্ৰ। যাৰ কলাত্মক বেটিঙত মুগ্ধ কোটি-কোটি ক্রিকেটপ্রেমী। ৰবি শাস্ত্রীয়ে হয়তো ঠিকেই কৈছিল ঈশ্বৰে ক্রিকেট খেলিবলৈহে তেওঁক ভাৰতলৈ পঠাই দিছে। ভাৰতত শচীনক পূজা কৰা হয় ভগৱানৰ দৰে। ক্রিকেট যদি ভাৰতীয় জণগণৰ ধৰ্ম, তেন্তে ভগৱান শচীন। প্ৰতিজন ভাৰতীয়ৰে আৱেগ জড়িত হৈ আছে তেঁওক লৈ। শচীনৰ শৈল্পিক বেটিং উপভোগ কৰিবলৈয়ে ষ্টেডিয়ামত সমাৱেশ ঘটে অভূতপূৰ্ব দৰ্শকৰ। আনকি দক্ষিণ আফ্রিকাৰ গেৰী কাৰ্ষ্টেনেও স্বীকাৰ কৰিবলৈ বাধ্য হৈছে যে কেৱল শচীনৰ বেটিং উপভোগ কৰিবলৈহে ষ্টেডিয়ামলৈ দৰ্শক আহে। ১৯৮৯ চনত পাকিস্তানৰ বিৰুদ্ধে আৰ্ন্তজাতিক ক্রিকেটাৰ অভিষেক ঘটাৰ সময়ত শচীনৰ বয়স আছিল মাত্ৰ ১৬ বছৰ। তেতিয়াৰ পৰা সুদীৰ্ঘ ২০ বছৰীয়া ক্রিকেট পৰিক্ৰমাত অপূৰ্ব বেটিং শৈলীৰে দৰ্শকৰ হৃদয়ত সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছে। ইতিমধ্যেই জীৱন্ত কিংবদন্তিত পৰিণত হোৱা শচীনে ২০০৫ চনৰ ডিচেম্বৰত টেষ্টত ৩৫টা শতৰাণ কৰি আন এক মাইলষ্টোন স্থাপন কৰাত সফল হয়। স্বদেশৰেই গাভাস্কাৰৰ ৩৪টা শতৰাণৰ অভিলেখ ভংগ কৰি পৰিগণিত হল টেষ্ট ক্রিকেটৰ সৰ্বাধিক শতৰাণকাৰী হিচাপে। সিমানতে শচীন থমকি ৰোৱা নাই। এই বছৰ অৰ্থাৎ ২০০৯ চনৰ চেপ্তেম্বৰ মাহত অনুষ্ঠিত কম্পেক কাপ ত্রিদেশীয় এদিনীয়া শৃংখলাৰ ফাইনেলত শচীনে ৪৪ সংখ্যক শতৰাণ অৰ্জন কৰে। এয়া মাষ্টাৰ ব্লাষ্টাৰ শচীন তেণ্ডুলকাৰৰ পঞ্চমবাৰৰ বাবে কোনো এদিনীয়া টুৰ্ণামেন্টৰ ফাইনেলৰ শতৰাণ। টেষ্ট ক্রিকেটত তেওঁ এতিয়ালৈ সংগ্ৰহ কৰিছে ৪২টা শতৰাণ। আশ্চাৰ্যকৰ কথাটো হ'ল যে শচীন হ'ল টেষ্ট আৰু এদিনীয়া উভয়তে সৰ্বাধিক শতৰাণকাৰী আৰু ৰাণ সংগ্ৰহকাৰী খেলুৱৈ। এতিয়ালৈ তেওঁ এদিনীয়াত ১৬,৮৯৫ ৰাণ আৰু টেষ্টত ১২,৭৭৩ ৰাণ সংগ্ৰহ কৰিছে। মহান খেলুৱৈ গৰাকীৰ সাধনা আৰু ধৈৰ্য্যৰ ফলশ্ৰুতি এয়া।

শচীন হ'ল টেষ্ট আৰু এদিনীয়া উভয়তে সৰ্বাধিক শতৰাণকাৰী আৰু ৰাণ সংগ্ৰহকাৰী খেলুৱৈ। এতিয়ালৈ তেওঁ এদিনীয়াত ১৬,৮৯৫ ৰাণ আৰু টেষ্টত ১২,৭৭৩ ৰাণ সংগ্ৰহ কৰিছে।

বিশ্বৰ শ্ৰেষ্ঠ বলাৰবোৰেও শচীনক বল দিবলৈ বহুবাৰ চিন্তা কৰিব লগা হয়। কিয়নো প্ৰতিটো কঠিন বলৰে উত্তৰ আছে শচীনৰ বেটত। সেয়ে অষ্ট্ৰেলিয়ান পেচাৰ মাইকেল কাস্প্ৰৱিজে ক'বলৈ বাধ্য হৈছিল-'শচীনক বেয়া বলবোৰ নিদিবা কিয়নো ভাল বলবোৰেই অনায়াসে বাউণ্ডেৰী পাৰ কৰে তেওঁ।' কেৱল বেটিঙেৰেই নহয়, কাৰ্য্যকৰী বলিঙেৰেও বহুকেই বাৰ ভাৰতক জয়ৰ সোৱাদ দিছে শচীনে। কোনে পাহৰিব পাৰে ১৯৯৬ চনত দক্ষিণ আফ্রিকাৰ বিৰুদ্ধে টাইটান কাপৰ ফাইনেলখনৰ কথা। অন্তিম অভাৰত দক্ষিণ আফ্রিকাক জয়ৰ বাবে প্ৰয়োজন হৈছিল মাত্ৰ ছয় ৰাণৰ। এনে ৰুদ্ধশ্বাস মুহূৰ্ত্তত আগবাঢ়ি অহা নাছিল এজনো বিশেষজ্ঞ বলাৰ। কিন্তু তেওঁ সাহসেৰে বলিঙৰ দায়িত্ব কান্ধ পাতি লয়। আৰু অভাৰটোত মাত্ৰ তিনি ৰাণ খৰচ কৰি ভাৰতক এক স্মৰণীয় জয় প্ৰদান কৰে। অভাৰটোত তেওঁ দুটা উইকেটো লাভ কৰিছিল। ক্রিকেট বিশ্বত মাত্ৰ এজনেই বলাৰ আছে যিয়ে লেগব্ৰেক, অফব্ৰেক, গুগলী, ক্লিপাৰ, লেখ কাটাৰ, অফকাটাৰ